<u>অসম বিধান সভা</u>
তৰা বিহীন প্ৰশ্ন নং:- ২৩৩
উত্তৰ দিয়াৰ তাৰিখ - ১০/০৭/২০২৬

বিষয় : Science Centre সম্পৰ্কে
বিধায়ক : শ্ৰীআবুল কালাম ৰশিদ আলম :

<u>প্ৰশ্ন</u>

মাননীয় বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা আৰু জলবায়ু পৰিৱৰ্ত্তন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ কোন কোন জিলাত Science Centre হ'ব আৰু কোন কোন জিলাত Science Centre ৰ কাম আৰম্ভ হৈছে আৰু কোন কোন জিলাত বাকী আছে?

(খ) কাম আৰম্ভ হোৱা জিলাসমূহৰ কিমান শতাংশ কাম সম্পূৰ্ণ হৈছে আৰু কিমান শতাংশ বাকী আছে? বাকী থকা কামখিনি কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰিব ?

(গ) কোন কামৰ বিপৰীতে কিমান টকা Payment দিয়া হৈছে আৰু কিমান বাকী আছে? বাকী থকা Payment খিনি কেতিয়া আদায় দিব? তথ্য সহকাৰে জনাব।

<u>উত্তৰ</u>

মাননীয় বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা আৰু জলবায়ু পৰিৱৰ্ত্তন বিভাগৰ মন্ত্ৰী মাননীয় **শ্ৰীযুত কেশৱ মহন্ত** দেৱে উত্তৰ দিব :

(ক) ২০১৭–১৮ বৰ্ষৰ বাজেটত ঘোষণা কৰা অনুসৰি সমগ্ৰ ৰাজ্যতে ২৩টা জিলা বিজ্ঞান কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ দিয়া হৈছে। সেই অনুসৰি বৰ্তমান বাক্সা, বিশ্বনাথ, চৰাইদেউ, ধুবুৰী, ডিব্ৰুগড়, গোৱালপাৰা, হোজাই, ওদালগুৰি, শোণিতপুৰ, হাইলাকান্দি আৰু কৰিমগঞ্জত ১১টা জিলা বিজ্ঞান কেন্দ্ৰ আৰু প্লেনেটেৰিয়াম নিৰ্মাণৰ কাম চলি আছে৷ ইতিমধ্যে আমিনগাঁও, মাজুলী, শিলচৰ, কলিয়াবৰ আৰু বঙাইগাঁৱত ৫টা বিজ্ঞান কেন্দ্ৰৰ নিৰ্মাণকাৰ্য্য সম্পূৰ্ণ হৈছে।

(খ) জিলা বিজ্ঞান কেন্দ্ৰবোৰৰ নিৰ্মাণকাৰ্য্যৰ অগ্ৰগতিঃ

১) বাক্সা - ৪৬.৫০ %

২) বিশ্বনাথ - ৫১ %

৩) চৰাইদেউ - ২৮.০০ %

৪) ধুবুৰী - ২৪%

৫) ডিব্ৰুগড় - ২২%

৬) গোৱালপাৰা - ২৬%

৭) হোজাই - ৩৫%

৮) ওদালগুৰি - ৩৬.৫০%

৯) শোণিতপুৰ - ১০%

১০) হাইলাকান্দি - ১৫ %

১১) শ্ৰীভুমি - কোনো কাম হোৱা নাই।

(গ) প্ৰতিটো কেন্দ্ৰৰ নিবিদা মূল্যৰ সাপেক্ষে মূল ভৱন আৰু চাৰিও ফালৰ পকী দেৱালৰ নিৰ্মাণ কাৰ্যত তলত দিয়া ধৰণে ধন আদায় দিয়া হৈছেঃ

| ক্ৰমিক নং | জিলা বিজ্ঞান কেন্দ্ৰৰ নাম | পৰিশোধ কৰা ধনৰ পৰিমাণ (লাখত) |
|---|---|---|
| ১ | বাক্সা | ৫১৬.৯০ |
| ২ | বিশ্বনাথ | ৫২১.০২ |
| ৩ | চৰাইদেউ | ২৩০.০০ |
| ৪ | ধুবুৰী | ৩০০.১১ |
| ৫ | ডিব্ৰুগড় | ১৮৩.৪৫ |
| ৬ | গোৱালপাৰা | ১৫৮.৫৯ |
| ৭ | হোজাই | ৪৭৪.৬৯ |
| ৮ | উদালগুৰি | ৩৬৩.৫৫ |
| ৯ | শোণিতপুৰ | ২০৮.০১ |
| ১০ | হাইলাকান্দি | ১৯৮.৮১ |
| ১১ | শ্ৰীভুমি | ৮৩.৬৫ |

লোক নিৰ্মাণ বিভাগৰ মুখ্য অভিযন্তাৰ কাৰ্যালয়ৰ পৰা বিজ্ঞান কেন্দ্ৰৰ বাবে বাকী থকা ধন আদায়ৰ কোনোধৰণৰ বিজ্ঞান কেন্দ্ৰ সম্পৰ্কীয় বিল বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা সঞ্চালকালয়ত এতিয়ালৈদাখিল কৰা নাই। বিল দাখিল কৰাৰ পিছতহে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা সঞ্চালকালয়ৰ দ্বাৰা বাকী থকা ধন পৰিশোধ কৰা হ'ব।

(উত্তৰ_সমূহ **'cms.neva.gov.in'** পৰ্টেলত আপলোড কৰা হৈছে, সংলগ্ন পত্ৰ নাই)

(Replies are uploaded in the **'cms.neva.gov.in'** portal, enclosures Nil**)**

*********************